# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৬৮/২০২০

**দক্ষিণ শালমাৰা-মানকাছাৰ জিলা আৰু গোৱালপাৰা জিলা প্ৰশাসনে ক'ভিড--১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লোৱা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

## দক্ষিণ শালমাৰা-মানকাছাৰ জিলাত থকা ভাৰত-বাংলাদেশ সীমান্তত সম্পূৰ্ণ চোকা দৃষ্টি ৰখাৰ বাবে পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**এই দিশত সীমান্ত সুৰক্ষা বাহিনীৰ সৈতে সঘনাই যোগাযোগ ৰখাৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ**

**দিছপুৰ, ১০ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দক্ষিণ শালমাৰা-মানকাছাৰ জিলা প্ৰশাসনে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লোৱা ব্যৱস্থাৱলীসমূহ পৰ্যালোচনা কৰে। দক্ষিণ শালমাৰা-মানকাছাৰ জিলাৰ সদৰ হাটশিঙিমাৰীস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই বিষয়ে অনুষ্ঠিত পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰীয়ে দক্ষিণ শালমাৰা-মানকাছাৰ জিলাৰ উপায়ুক্ত আতিকা ছুলতানাক জিলাখনৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তত সম্পূৰ্ণ চোকা দৃষ্টি ৰখাৰ বাবে নিৰ্দেশ দিয়ে। আনকি সীমান্তৰ ন'মেনছ লেণ্ডটো যাতে এই সময়ছোৱাত কোনো কৃষকে কৃষিকাৰ্যৰ বাবে যাব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰখাৰ বাবেও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই দিশত সীমান্ত সুৰক্ষা বাহিনীৰ সৈতে প্ৰশাসনে সঘনাই যোগাযোগ স্থাপনেৰে নিশ্চিত পদক্ষেপ লোৱাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৈঠকত জিলা উপায়ুক্ত গৰাকীয়ে আগন্তুক ৰমজান মাহৰ সময়ত জিলাখনলৈ যাতে ফলমূলৰ অবিৰত যোগান নিশ্চিত কৰিব পৰা যায় তাৰ বাবে পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে যোগান বিভাগক এই দিশত কাৰ্যকৰী পদক্ষেপ লোৱাৰ বাবেও আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত পৰিয়াল পৰিচয় পত্ৰ নথকা পৰিয়ালক ১ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ দিশত প্ৰকৃত হিতাধিকাৰী যাতে নিৰ্বাচিত কৰা হয় তাৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও জিলা উপায়ুক্ত গৰাকীক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে পশুখাদ্য যোগান নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও পশু পালন আৰু পশু চিকিৎসা বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ জনসাধাৰণে লক ডাউনৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰাত ব্যাঘাত নজন্মে তাৰ বাবে উচিত পদক্ষেপ ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়াৰ লগতে এই সময়ছোৱাত কোনো অসাধু ব্যৱসায়ীয়ে যাতে কৃত্ৰিম নাটনি তথা মূল্যবৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে ক'ভিড-১৯ প্ৰতিহত কৰাৰ দিশত জিলাখনৰ বিভিন্ন বিভাগে লোৱা পদক্ষেপ সমূহৰো পৰ্যালোচনা কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান কৰ'ণা ভাইৰাছৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে ৰাইজে লক ডাউন কাৰ্যসূচী পালন কৰিছে। সমগ্ৰ অসমৰ বিভিন্ন জিলাৰ লগতে দক্ষিণ শালমৰা- মানকাছাৰ জিলাৰ ৰাইজেও এই কাৰ্যসূচী শৃংখলাবদ্ধভাৱে পালন কৰিছে। তাৰ বাবে মুখ্যমন্ত্ৰীয়ে সমগ্ৰ জিলাৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। অহা ১৪ এপ্ৰিললৈকে এই ২১ দিনীয়া লক ডাউন কাৰ্যসূচী সকলোৱে যাতে ঘৰৰ ভিতৰতে যেন পৰিষ্কাৰ কৈ থাকি তথা দূৰত্ব বৰ্তাই ৰাখি পালন কৰে বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সাংবাদিক সকলেও এই দিশত যথেষ্ট কষ্ট কৰিছে বুলি উল্লেখ কৰি

মুখ্যমন্ত্ৰীয়ে সমগ্ৰ অসমতে মানুহৰ মাজত ক'ভিড-১৯ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ দিশত সংবাদসেৱীসকলে লোৱা ভূমিকাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰৰ তৰফৰ পৰা অসমৰ ৩৩ খন জিলাত বসবাস কৰা প্ৰতিটো পৰিয়ালৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে জৰুৰী সেৱাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ তৰফৰ পৰা বিভিন্ন পদক্ষেপ লোৱা হৈছে। স্বাস্থ্য বিভাগে স্বাস্থ্যখণ্ডত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰি কৰ'ণা ভাইৰাছত আক্ৰান্ত ৰোগী সকলক উন্নত চিকিৎসা প্ৰদান কৰি আছে আৰু জিলা প্ৰশাসনৰ সহযোগত আইচ'লেশ্যন ৱাৰ্ড, স্পেচিয়েল কুৱাৰেন্টাইন ফেচিলিটি ইত্যাদি আধুনিক ৰূপত গঢ় দিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কৰ'ণা ভাইৰাছৰ পৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বানক উপযুক্তভাৱে মোকাবিলা কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি তেওঁ কয়। চিকিৎসক, নাৰ্চ, আশা কৰ্মী, এম পি ডাব্লিউ কৰ্মকৰ্তা, এম্বুলেঞ্চৰ চালক, ৱাৰ্ড বয়, চাফাই কৰ্মীসকলে দিনে-নিশাই নিষ্ঠাৰে মানৱ সেৱাৰ কামত আত্মনিয়োগ কৰি আছে। অত্যাৱশ্যকীয় সামগ্ৰী যোগান দিয়াৰ ক্ষেত্ৰত যোগান বিভাগৰ পৰা হাজাৰ হাজাৰ সুলভ মূল্যৰ দোকানৰ গৰাকী, সেই সুলভ মূল্যৰ দোকান পৰিচালনা কৰা কৰ্মকৰ্তাসকল লগতে বিভাগৰ বিভাগৰ কৰ্মকৰ্তাসকলেও এই ক্ষেত্ৰত দৃঢ়তাৰে ৰাইজক সেৱা আগবঢ়াই আছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে পৰিবহন, শক্তি, জনস্বাস্থ্য কাৰিকৰী সকলোৰে মিলি ৰাইজক সেৱা কৰাৰ কামত নিষ্ঠা সহকাৰে আত্মনিয়োগ কৰি আছে। জৰুৰীকালীন সেৱাত নিয়োজিত কৰ্ম-কৰ্তা সকলে দিনে-নিশাই ৰাইজৰ সেৱাত ব্ৰতী হৈ আছে। আৰক্ষী বাহিনীয়েও ৰাইজৰ স্বাৰ্থত দিনে-নিশাই কৰ্তব্যত নিয়োজিত হৈ আছে। আমি অসমৰ বুকুত এই লক ডাউন কাৰ্যসূচীত সামাজিক দূৰত্ব বৰ্তাই ৰাখি যদি পালন কৰিবলৈ সক্ষম হও তেতিয়া আমাৰ সমাজখনে কৰ'ণা ভাইৰাছৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই লক ডাউন কাৰ্যসূচী কিছুমান ঠাইৰ জনসাধাৰণে উলংঘা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী আঁচনিৰ বিভিন্ন সুবিধা প্ৰাপ্তিৰ দিশটো সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে বেংক ইত্যাদি ৰাজহুৱা প্ৰতিষ্ঠানত অনাহকত একেলগে বহু লোকৰ সমাবেশৰ সৃষ্টি কৰি বিপদ চপাই ননাৰ বাবেও আহ্বান জনায়। সামাজিক দূৰত্বৰ নীতি বজাই নাৰাখিলে বিপদত পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সমাজখন বৰ্তাই ৰখাৰ স্বাৰ্থত লক ডাউন কাৰ্যসূচী সৰ্বান্তকৰণে পালন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সামাজিক দূৰত্ব উলংঘা কৰা ব্যক্তিসকলৰ বিৰুদ্ধে সমাজখন ৰক্ষা কৰাৰ স্বাৰ্থত কঠোৰ ব্যৱস্থা লোৱা হৈছে আৰু ভৱিষ্যতেও লোৱা হৈ থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰতিগৰাকী ব্যক্তিৰ নিৰাপত্তাৰ স্বাৰ্থতে এই সামাজিক দূৰত্ব বজাই ৰখাৰ নীতি গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্য চৰকাৰে জনসাধাৰণক সকলো ধৰণৰ সেৱা আগবঢ়োৱাৰ বাবে প্ৰস্তুত হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, বিধায়ক বিমল বৰা, ড° মতিউৰ ৰহমান মণ্ডলকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে গোৱালপাৰাত উপস্থিত হৈ গোৱালপাৰা মহাবিদ্যালয়ত স্থাপন কৰা কুৱাৰেন্টাইন চেন্টাৰ পৰিদৰ্শন কৰাৰ উপৰি জিলা প্ৰশাসনৰ সৈতে ক'ভিড-১৯ প্ৰতিহত কৰাৰ দিশত লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পিছতে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত লক ডাউনৰ সময়ছোৱাত সকলোকে নিজৰ গৃহতে আবদ্ধ ৰাখি নিজৰ লগতে পৰিয়াল, সমাজ, ৰাজ্য তথা ৰাষ্ট্ৰখনক সুৰক্ষিত কৰাৰ বাবে আহ্বান জনায়।

গোৱালপাৰা জিলা প্ৰশাসনৰ সৈতে হোৱা পৰ্যালোচনামূলক বৈঠকত খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, বিধায়কসকল ক্ৰমে  বিমল বৰা,  দীপক কুমাৰ ৰাভা, আবুল কালাম ৰচিদ আলম, আব্দুৰ ৰচিদ মণ্ডল আৰু চাহাব উদ্দিন আহমেদৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**১০/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in